**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::::::::::***

১। ভাৰত আৰু ভিয়েটনামে আজি বিভিন্ন খণ্ডত বহুকেইখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত ভিয়েটনামৰ উপ প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল ফান বান জিয়াঙৰ সৈতে এখন বৈঠকত মিলিত হয়।

৩। পশ্চিমবংগত অহা ৯ মে'ত ব্ৰিগেট পেৰেড গ্ৰাউণ্ডত হ'বলগীয়া এটা অনুষ্ঠানত নৱ গঠিত বিজেপি চৰকাৰে শপত গ্ৰহণ কৰিব।

৪। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে এখন চুক্তিয়ে ইৰাণ যুদ্ধ আৰু অৱৰোধ সমাপ্তি ঘটাব পাৰে বুলি প্ৰকাশ কৰিছে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত কিছুসময় পাছতে পঞ্জাব কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰত আৰু ভিয়েটনামে আজি ডিজিটেল প্ৰযুক্তি, ৰাজহুৱা খণ্ডৰ হিচাপ পৰীক্ষা, ডিজিটেল ধনাদায় ব্যৱস্থা, সংস্কৃতি আৰু পৰ্যটনকে ধৰি বিভিন্ন খণ্ডত বহুকেইখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভিয়েটনামৰ ৰাষ্ট্ৰপতি টো লামৰ মাজত আজি নতুন দিল্লীত হোৱা আলোচনাৰ পাছতে এই চুক্তিসমূহ স্বাক্ষৰিত হয়। এই আলোচনাকালত দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় সমস্যাৰ ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ আলোচনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা প্ৰেছ বিজ্ঞপ্তিত কয়, যে ভিয়েটনামৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ এমাহৰ ভিতৰত টো লামে নিজৰ প্ৰথমটো আনুষ্ঠানিক ভ্ৰমণত ভাৰতলৈ অহাটোৱে ভাৰত-ভিয়েটনাম সম্পৰ্কক তেওঁ অগ্ৰাধিকাৰ দিয়াটোকে সূচায়। প্ৰধানমন্ত্ৰীয়ে কয়, যে ঐতিহ্য ৰক্ষাৰ হেতু ভাৰতে ভিয়েটনামৰ প্ৰাচীন চম্পা সভ্যতাৰ মাইচন আৰু হান টাও মন্দিৰ পুনৰ উদ্ধাৰ কৰিছে। শ্ৰীমোদীয়ে কয় যে চম্পা সভ্যতাৰ লিপি ডিজিটীয় কৰাৰ লগতে এই মূল্যবান ঐতিহ্য ভৱিষ্যত প্ৰজন্মৰ বাবে সংৰক্ষণ কৰিব। তেওঁ কয়, যে ভাৰত আৰু ভিয়েটনামৰ মাজৰ অংশীদাৰিত্বত ঐতিহ্যৰ বিকাশ উভয়ে গুৰুত্ব লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে যোৱা বছৰ বৌদ্ধ ধৰ্মৰ ধ্বংসাৱশেষ ভাৰতৰ পৰা ভিয়েটনামলৈ লৈ যোৱাৰ সময়ত দেশখনৰ ১ কোটি ৫০ লাখৰো অধিক অৰ্থাৎ প্ৰায় ১৫ শতাংশ লোকে ইয়াৰ দৰ্শন কৰিছিল। তেওঁ কয়, যে চিকিৎসা খণ্ডত হোৱা বুজাবুজিৰ চুক্তিত দেশখনত ভাৰতীয় ঔষধৰ উপলভ্যতা বৃদ্ধি কৰিব। শ্ৰীমোদীয়ে কয় যে ভাৰতৰ কৃষি, মীন পালন আৰু কৃষিজাত সামগ্ৰীৰ ভিয়েটনামলৈ ৰপ্তানী কৰাটো সূচল হ'ব। উভয় দেশৰ মাজত বিত্তীয় যোগাযোগ বৃদ্ধিৰ বাবে আজি উভয় পক্ষই কেন্দ্ৰীয় বেংকৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতৰ ইউ পি আই আৰু ভিয়েটনামৰ ক্ষীপ্ৰ ধনাদায় ব্যৱস্থা শীঘ্ৰেই সংযোজন ঘটোৱা হ'ব। ভিয়েটনামক ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভিজন অচিনৰ প্ৰধান স্তম্ভ বুলিও তেওঁ উল্লেখ কৰে। ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ক্ষেত্ৰত উভয় দেশে উমৈহতীয়া দৃষ্টিভংগী পোষণ কৰে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতা শক্তিশালীকৰণেৰে ভাৰত আৰু ভিয়েটনামে আইনৰ শাসন, শান্তি, স্থিৰতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত অৱদান আগবঢ়াই আহিছে। ভিয়েটনামৰ সহযোগিতাৰে

ভাৰতে আচিয়ানৰ সৈতে ইয়াৰ সম্পৰ্ক  অধিক সম্প্ৰসাৰিত কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণাৰে সন্ত্ৰাসবাদী বিৰোধী যুজখনত ভাৰতীয় জন-গণৰ ঠিয় হোৱাৰ বাবে ভাৰত ভিয়েটনামৰ ওচৰত সদায় কৃতজ্ঞ বুলি শ্ৰীমোদীয়ে কয়। ভিয়েটনামৰ ৰাষ্ট্ৰপতি টো লামে কয় যে ভাৰতৰ সৈতে ৫০ বছৰ সম্পৰ্কৰ লগতে ১০ বছৰীয়া ব্যাপক কৌশলগত অংশীদাৰিত্ব ফলাফলত দেশখনে গুৰুত্ব প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত ভিয়েটনামৰ উপ প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল ফান বান জিয়াঙৰ সৈতে এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীসিঙে কয় যে ভাৰতে ভিয়েটনামৰ সৈতে থকা দীৰ্ঘদিনীয়া সম্পৰ্কক সদায় গুৰুত্ব দি আহিছে। তেওঁ কয়, যে দুয়োগৰাকী নেতাৰ মাজত হোৱা আলোচনাত ভাৰত আৰু ভিয়েটনামৰ মাজত প্ৰতিৰক্ষা সহযোগিতা অধিক শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে শেহতীয়া পৰিঘটনাসমূহে দেশ দুখনৰ মাজৰ সম্পৰ্কত ইতিবাচক গতিশীলতা প্ৰতিফলিত কৰিছে। শ্ৰীসিঙে কয়, যে এই কৌশলগত অংশীদাৰিত্ব অধিক দৃঢ় কৰি তোলাৰ বাবে তেওঁ আশাবাদী।

ooooo

কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি কয় যে ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট' লামৰ এই ভ্ৰমণে ভাৰত আৰু ভিয়েটনামৰ মাজত শক্তিশালী কৌশলগত অংশীদাৰিত্ব আৰু চিৰস্থায়ী বন্ধুত্বক প্ৰতিফলিত কৰিছে।  সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আয়োজন কৰা আনুষ্ঠানিক অভ্যৰ্থনা অনুষ্ঠানত ভিয়েটনামৰ ৰাষ্ট্ৰপতিগৰাকীয়ে অংশগ্ৰহণ কৰা বুলি উল্লেখ কৰি কয় যে এই ভ্ৰমণে দুয়োখন ৰাষ্ট্ৰৰ মাজত ক্ৰমবৰ্ধমান সম্পৰ্কক আলোকপাত কৰিছে ।

ooooo

পশ্চিমবংগত অহা ৯ মে'ত ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত হ'বলগীয়া এটা অনুষ্ঠানত নৱ গঠিত বিজেপি চৰকাৰে শপত গ্ৰহণ কৰিব। ৰাজ্যিক বিজেপিৰ সভাপতি সমিত ভট্টাচাৰ্য্যই সাংবাদিকৰ আগত কয় যে পুৱা ১০ বজাত শপত গ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। দলটোৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপি শাসিত বহুকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰী উপস্থিত থকাৰ সম্ভাৱনা আছে।

ইপিনে, কলকাতাত আজি তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে দলটোৰ বিজয়ী প্ৰাৰ্থীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। শ্ৰীমতী বেনাৰ্জীয়ে কালীঘাটৰ বাসগৃহত আয়োজন কৰা এই বৈঠকত দলটোৰ ৮০ গৰাকী বিজয়ী প্ৰাৰ্থীৰ ভিতৰত ৬৯ গৰাকী উপস্থিত থাকে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে এখন চুক্তিয়ে ইৰাণ  যুদ্ধ আৰু অৱৰোধ সমাপ্তি ঘটাব পাৰে বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে, যদি ইৰাণ মান্তি নহয়, তেন্তে বোমা বৰ্ষণ তীব্ৰতৰ হ'ব পাৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীট্ৰাম্পে কয় যে যদি ইৰাণে চৰ্তসমূহ মানি লয়, তেন্তে অপাৰেছন এপিক ফিউৰি সমাপ্ত হ'ব পাৰে। তেওঁ কয় যে আমেৰিকাৰ এই অৱৰোধ আঁতৰিলে ইৰাণকে ধৰি সকলোৰে বাবে হৰমুজ প্ৰণালী মুকলি হ'ব। এই চুক্তিত মান্তি নহলে বোমাবৰ্ষণ পুনৰ আৰম্ভ হ'ব পাৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

ৰাজ্য বিধানসভাৰ নিৰ্বাচন প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পাছত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ লোক ভৱনত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰে। এই পদ ত্যাগে নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত ৰাজ্যখনত নতুন চৰকাৰ গঠনৰ পথ প্ৰশস্ত কৰে। পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ড° শৰ্মাই কয় যে নতুন চৰকাৰ গঠন নোহোৱা পৰ্যন্ত বিদায়ী মন্ত্ৰী পৰিষদকে অন্তৰৱৰ্তীকালীন চৰকাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি যাবলৈ ৰাজ্যপালে নিৰ্দেশ দিয়ে।

ooooo

তামিলনাডুত টি ভি কে নেতা চি যোশেফ বিজয়ে ৰাজ্যপাল বিশ্বনাথ আৰ্লেকাৰক সাক্ষাৎ কৰি ৰাজ্যখনত চৰকাৰ গঠনৰ বাবে দাবী জনায়। দলটোৰ জ্যেষ্ঠ নেতা কে এ চেনগোত্তায়ন, এম আনন্দ, নিৰ্মল কুমাৰ, অৰ্জুন ৰাজ আদিয়ে ৫১ বছৰীয়া নেতাগৰাকীক সংগ দিয়ে। ইপিনে, কংগ্ৰেছ নেতা গিৰিশ চদাংকাৰ আৰু আন আন নেতাসকলে টি ভিকেৰ মুৰববীগৰাকীক সাক্ষাৎ কৰি ৫ গৰাকী বিধায়কৰ সমৰ্থনৰ প্ৰস্তাৱ দিয়ে। আনহাতে, ভি চি কেৰ মুৰববী থোল থিৰুমাৱালাৱানে কয়, যে তেওঁৰ দলে মৰ্চাত অংশগ্ৰহণৰ বাবে টি ভি কে দলে জনোৱা আমন্ত্ৰণৰ বিষয়টোত সিদ্ধান্ত গ্ৰহণ কৰিব। ইয়াৰ পূৰ্বে ৰাজ্যপালে একক সংখ্যাগৰিষ্ঠতা লাভ কৰা দল টি ভি কেক চৰকাৰ গঠনৰ বাবে দুই এদিনৰ ভিতৰতে আমন্ত্ৰণ জনাব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

ooooo

২০২৬ চনৰ বিধানসভা নিৰ্বাচন আৰু উপ নিৰ্বাচনৰ সময়ত নিৰ্বাচনী প্ৰক্ৰিয়া উশৃংখল কৰাৰ লগতে সময়মতে নিৰীক্ষণ আৰু স্বচ্ছতা বৃদ্ধিৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ তথ্য প্ৰযুক্তি মঞ্চ ই চি আই নেটে মুখ্য ভূমিকা পালন কৰে। নিৰ্বাচন আয়োগে এটা বিবৃতিত কৈছে যে ই চি আই নেট এপৰ ব্যৱহাৰকাৰী সংখ্যাৰ বৃদ্ধি পাইছে আৰু বৰ্তমানলৈকে এই এপটো ১০ কোটিতকৈ অধিক ডাউনলোড কৰা হৈছে। যোৱা ৪ মে'ৰ ভোটগণনাৰ দিনা এই মঞ্চত ৫৮ কোটি ৩০ লাখতকৈ অধিক লোকে এই এপ ব্যৱহাৰ কৰিছে। আয়োগৰ চাইবাৰ নিৰাপত্তা ব্যৱস্থাই ভোটগণনাৰ দিনা ফলাফল পোৰ্টেলসহ প্ৰধান নিৰ্বাচনী ডিজিটীয় মঞ্চসমূহক লক্ষ্য কৰি দেশ বিদেশৰ পৰা অহা ৬৮ লাখতকৈ অধিক ক্ষতিকাৰক আক্ৰমণ প্ৰতিহত কৰিবলৈ সক্ষম হয়। নিৰ্বাচন আয়োগে লগতে কয় যে ভোটগণনা কেন্দ্ৰসমূহৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ পোনপ্ৰথমবাৰৰ বাবে এটা কিউ আৰ কোডসহ ফটো পৰিচয় পত্ৰ ব্যৱস্থা ব্যৱহাৰ কৰা হয়।

ooooo

**কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ডাঃ মনসুখ মাণ্ডবিয়াই কাইলৈ নতুন দিল্লীৰ কৰ্মচাৰী ৰাজ্যিক বীমা নিগমৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত ৪০ বছৰ আৰু তাৰ উৰ্ধৰ শ্ৰমিকৰ বাবে দেশজোৰা বাৰ্ষিক স্বাস্থ্য পৰীক্ষাৰ অভিযান মুকলি কৰিব।এই অভিযানৰ অধীনত ৰাসায়নিক পদাৰ্থ, বিষাক্ত পদাৰ্থ, বা গধুৰ যন্ত্ৰপাতি পৰিচালনা কৰা শ্ৰমিককে ধৰি বিপজ্জনক কাৰ্যত জড়িত শ্ৰমিকসকলৰ বয়স নিৰ্বিশেষে চিকিৎসা পৰীক্ষা বাধ্যতামূলক কৰা হ'ব। এই অভিযানে ভাৰতৰ কৰ্মশক্তিৰ বাবে ব্যাপক স্বাস্থ্যসেৱাৰ সুবিধা নিশ্চিত কৰা, বৃত্তিগত স্বাস্থ্য ব্যৱস্থা শক্তিশালী কৰা আৰু বিকাশিত ভাৰত ২০৪৭ৰ দৃষ্টিভংগীক আগুৱাই নিয়াৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত হ'ব।**

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত কিছুসময় পাছতে পঞ্জাব কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি পঞ্জাব কিংছে-ছান ৰাইজাৰ্ছ হায়দৰাবাদক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়।

ooooo

ঃঃ সমাপ্ত ঃঃ